# Prime Minister’s meeting with Japan-India Association (JIA)

May 24, 2022

# ‘জাপান-ইণ্ডিয়া এছোচিয়েশ্যন’(জিআইএ)ৰে প্ৰধানমন্ত্ৰীৰ বৈঠক

জাপানৰ টকিঅ’ত 24 মে’ 2022ত প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী জাপানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰীদ্বয় য়োশ্বিৰো ম’ৰি আৰু শ্বিনঝো আবেৰে এক বৈঠকত মিলিত হয়। য়োশ্বিৰো ম’ৰি ‘জাপান-ইণ্ডিয়া এছোচিয়েশ্যন’ ( জিআইএ ) ৰ বৰ্তমানৰ অধ্যক্ষ আৰু শ্বিনঝো আবেই কিছুদিন পিচতে এই দায়িত্ব গ্ৰহণ কৰিব। জাপানত ভাৰতৰ অতিকৈ পুৰণি বন্ধুত্বমূলক সংস্থাৰ অন্যতম ‘জিআইএ’ স্থাপিত হৈছিল 1903 চনত।

ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক ক্ষেত্ৰত ভাৰত আৰু জাপানৰ মাজত বিনিময়ৰ উত্তৰণৰ ক্ষেত্ৰত য়োশ্বিৰো ম’ৰিৰ নেতৃত্বত ‘জিআইএ’-ই আগবঢ়োৱা গুৰুত্বপূৰ্ণ অৱদানৰ শলাগ লয় প্ৰধানমন্ত্ৰী মোদীয়ে। প্ৰধানমন্ত্ৰী মোদীয়ে অচিৰেই গ্ৰহণ কৰিবলগীয়া দায়িত্বৰ বাবে শ্বিনঝো আবেক শুভকামনা জনোৱাৰ লগতে ‘জিআইএ’-য়ে আগলৈকো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি যাব বুলি আশা প্ৰকাশ কৰে।

নেতাকেইগৰাকীয়ে ভাৰত-জাপান বিশেষ ৰণকৌশলগত আৰু গোলকীয় অংশীদাৰিত্বৰ লগতে এক শান্তিপূৰ্ণ, সুস্থিৰ আৰু সমৃদ্ধ ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ বাবে ভাৰত আৰু জাপানে পোষণ কৰি অহা উমৈহতীয়া দৃষ্টিভংগী সন্দৰ্ভতো বিস্তৃত আলোচনা কৰে। সেইদৰে দুয়ো দেশৰ সংস্কৃতি আৰু নাগৰিকসকলৰ মাজৰ পাৰস্পৰিক সম্পৰ্ক সুদৃঢ় কৰাৰ প্ৰসংগতো তেওঁলোকে মত বিনিময় কৰে।

**টকিঅ**

**মে 24, 2022**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.